# জৱাহৰ জ্যোতি

—অমূল্য ৰায়
প্ৰথম বাৰ্ষিক, কলা

তুমি আহিছিলা শিশুৰ মিঠা হাঁহি লৈ,
জিনিলা জগতক বুকুৰ কুটুম হৈ ।
তুমি যুঁজিলা ন্যায় আৰু নীতিৰ হকে,
সহিলা কত যে গঞ্জনা দহৰ বাবে ।
গোলাপৰ বগাপাহী বুকুত পিন্ধিলা,
আই ভাৰতীৰ দুখ মোচন কৰিলা ।
বিশ্ব প্ৰেমৰ সোঁত বোৱালা জগতত,
ঐক্যৰ মহামন্ত্ৰ শুনালা ভাৰতক ।
পঞ্চশীল মূল নীতি তুমিয়ে ৰচিলা,
সাম্য-মৈত্ৰী-ভাতৃ-ভাব তুমিয়ে বোৱালা ।
নহয় কোনোৱে হীন কোনোৱেই পৰ,
আমি সবে ভাই-ভনী অতি চেনেহৰ ।
বিশ্বই সুৱঁৰিছে তোমাক জৱাহৰ,
তোমাৰ জ্যোতিয়ে হ'ব পাথেয় আমাৰ ।

# সন্ধি

শ্ৰীউৰ্ব্বশী দাস
প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণী (কলা)

এটা শান্ত নীৰৱ দুপৰীয়া
কেউপিনে শান্তিৰ মায়াজাল,
মোৰ কোঠালিত মই অকলশৰে ।
সৰু খিৰিকিখনেৰে অহা
এচেৰেঙা পোহৰে একোঠালি এন্ধাৰৰ
লগত যুঁজ দি কৰা মিতিৰালীৰ
সাক্ষী মই ;
সিহঁতে প্ৰমাণ কৰে মই এতিয়াও
সাৰে আছোঁ ।
সময়ৰ আঁচে মোক বিৱৰ্ত্তন কৰি অনাৰ
এটা মিঠা প্ৰলোভন দেখুৱায়
আবেলিৰ চিকুণ
ৰতৱৰ দৰে এটা আমেজ অনাৰ
প্ৰয়োজনীয়তা আছে বুলি
কাৰণ, মই যে এতিয়াও সাৰে আছোঁ ।

## দুটি গীত

শ্ৰীনগেন কলিতা
প্ৰাক্ বিশ্ববিদ্যালয় (কলা)

(১)

পদূলি মুখৰ বকুল গছত
এটি পখিলা পৰেহি ডালত
আমনি যে কৰে মোক ॥
নিবিড় পুৰতি বেলা
কৰেহি আমনি মোক ;
লবালিব খেলা-ধূলা
ধৰেহি আগুৰি মোক ॥
তাই জুমি জুমি জুমি চায়
পায় কিনো সুখ ;
মোৰ মন পখিটি কাঢ়ি লৈ
তাই নাশে হিয়াৰ দুখ ॥

(২)

চকুলোঁ টুকিছো মই নিমাতে নিৰলে
নিজম এন্ধাৰত বহি
দগ্ধ হৃদয়ে ভাঙি বাধাৰ দুৱাৰ
লিখো তোমাৰ কাহিনী ।
লিখো আমাৰ কাহিনী ॥
তুমি এৰি গলা মোৰ জীৱনক
ৰাখি এন্ধাৰত অকলই ;
তথাপি কৰিছা ভুল বহুবাৰ
দূৰ-দূৰণিত তুমি ৰই ।
চকুলো টুকিছো নিমাতে নিৰলে মই ।

বিধাতাই সাজিছে মাথো মানুহৰূপী
মিছাৰ এই বালিঘৰ ;
থাকিব লাগিব শুই কোনোবা কোণত
বিশাল এই মৰতৰ ।
সেয়ে লিখিছো কাহিনী ।

অনুবাদ : শ্ৰীআনন্দ চন্দ্ৰ বাণ্ডা
প্ৰথম বাৰ্ষিক কলা

## মাজবাট ।। শ্ৰীশ্যামলাল মাহেশ্বৰী ।।

[ হিন্দী কবিতা ]

মহানগৰীৰ
কোলাহলময়
পথেৰে
অহা যোৱা মানুহবোৰ
কোনোৱা চিন্তাশীল উদাসীন
কোনোৱা আনন্দিত, বিদ্বেষিত ।
কান্ধত মোনা আঁৰি লৈ
যায় চামে চামে
স্কুলীয়া ল'ৰা-ছোৱালীবোৰ,
টাইট্ ফিট্ টেৰেলিন পিন্ধি
চিনেমাৰ গান গুণগুণোৱা ডেকালৰাবোৰ
অৰ্দ্ধোলঙ্গ বস্ত্ৰ পিন্ধি সৌন্দৰ্য্যৰ প্ৰদৰ্শন কৰা
চঞ্চলা গাভৰু ছোৱালীবোৰ
আৰু—
নগ্ন ফকীৰ বস্ত্ৰকাপী,
কঠোৰ পৰিশ্ৰমিক দল
কান্ধত মোনা লৈ
ক্ষুধাতুৰ ভিক্ষুকবোৰ,
আৰু—
আৰু কেৰাণী, উকিল, শিক্ষক ।
ফুটপাথৰ ওপৰত দোকানৰ কাষত
দেখোঁ মই নিতে
কোলাহলময় পথৰ
মানুহৰ অহৰহ সোঁত
নিৰুপায় পীড়িত
আৰু যান্ত্ৰিক জীৱন ।
আনৰ প্ৰতি উদাসীন
আপোনতে মগন, আপোনতে লীন,
মানুহৰ মাজত
অনুভৱ কৰোঁ মই
গভীৰ সমুদ্ৰৰ গৰ্ভত
অলেখ সামুদ্ৰিক জীৱৰ মাজত
এটি নিসঙ্গ প্ৰাণী,
কৃশ, নিৰ্বল, নিৰুপায়
নিসহায় ।

অনুবাদ ঃ—শ্ৰীনবমোহন নাথ
দ্বিতীয় বাৰ্ষিক ( কলা )।

# ॥ তুমি আৰু মই ॥

সূৰ্য্যকান্ত ত্ৰিপাঠী

( হিন্দী কবিতা )

তুমি তুঙ্গ হিমালয় শৃঙ্গ, মই চঞ্চল গতি সুৰ সবিতা
তুমি বিমল হৃদয় উচ্চবাস, মই কান্ত কামিনী কবিতা ॥
তুমি প্ৰেম, মই শান্তি,
তুমি সুৰা ঘোৰ অন্ধকাৰ,
মই মাতাল ভ্ৰান্তি ।


তুমি দিনৰ প্ৰখৰ কিৰণ জাল, মই মৃদু হাঁহি মুস্‌কান ।
তুমি বাৰিষাৰ মৃত্যু লগৰী, মই মাথো পিছল নিদৰ্শন ॥
তুমি যোগ, মই সিদ্ধি,
তুমি ৰাগ অনুৰাগ তপ,
মই শুচিতা সমৃদ্ধ ।

তুমি মৃদু মানৱ ভাৱ আৰু মই মনোৰঞ্জনী ভাষা ।
তুমি নন্দন বন কল্পতৰু, মই সুখ মৃদু তল শাখা ॥
তুমি প্ৰাণ, মই কায়া,
তুমি ব্ৰহ্ম সচ্চিদানন্দন,
মই মনোমোহা মায়া ।

তুমি প্ৰেমিকৰ কণ্ঠহাৰ আৰু মই বেণী কাল নাগিনী ।
তুমি পল্লৱ ঝঙ্কাৰ চেতাৰ মই ব্যাকুল বিৰহ ৰাগিনী ॥
তুমি পথ মই ৰেণু,
তুমি ৰাধাৰ মন মোহিনী,
মই অধৰৰ বেণু ।

তুমি পথিকৰ শীতল শান্তি, মই কথা প্ৰতিক্ষীত আশা ।
তুমি ভৱ সাগৰ দুস্তাৰ মই পাৰ মাথো অভিলাষী ॥
তুমি নভ, মই নীলিমা,
তুমি শৰতৰ বাল্য ইন্দু,
মই নিশীথ মাধুৰিমা ।

তুমি কুসুমৰ কোমল পৰাগ, মই মৃদুগতি মলয়া সমীৰ ।
তুমি চেচ্চাম্বাৰী কাপুৰুষ, মই প্ৰকৃতি প্ৰেম জঞ্জীৰ ॥
তুমি শিৱ, মই শক্তি,
তুমি ৰঘুবংশ ৰামচন্দ্ৰ,
মই সীতা অচলা ভক্তি ।
তুমি আশাৰ কুসুম পাঁহি মই পিকুকলা কুজন-তান ।
তুমি মদন পঞ্চস্বৰ হস্ত মাথো মই সুগ্ধা অন্‌জান ॥
তুমি বজ্ৰ, মই জাৰ,
তুমি শিল্পী আঁকা নতুন ছবি,
মই তুলিকা ৰঙৰ ।
তুমি ৰণ তাণ্ডৱ উন্মাদ নৃত্য, মই মুখৰিত নূপুৰৰ ধ্বনী ।
তুমি নাদ-বেদ অঙ্কাৰ সাৰ, মই কবি শৃঙ্গাৰ শিৰোমণি ॥
তুমি যশ, মই প্ৰাপ্তি,
তুমি কুণ্ড অৰবিন্দ শুভ্ৰ,
মই সুনিৰ্ম্মল ব্যাপ্তি ।



# মায়নো বুঢ়ী

শ্রীযোগেন্দ্র নাথ বড়ো
তৃতীয় বাৰ্ষিক

'মায়নো বুঢ়ী' হৈছে কছাৰী সকলৰ এক উপাস্য দেৱী। এই দেৱীক সচৰাচৰ ঘৰৰ লখিমী বুলি কছাৰী সকলে জ্ঞান কৰে। কোনো কোনোৱে কিন্তু এই দেৱীক মহাদেৱৰ পত্নী পাৰ্ব্বতীৰে অন্য এক অৱতাৰ বুলি অভিহিত কৰে। সেইবোৰ যিয়েই নহওঁক--এই দেৱীক পূজা কৰিলে ঘৰখনত ধন-ধান বিভূতিৰে পূৰ্ণ হোৱা বুলি আৰু সকলো বেমাৰ-আজাৰ ঘৰৰ পৰা নোহোৱা হয় বুলি কছাৰীসকলে বিশ্বাস কৰে। ইয়াৰ উপৰি মায়নো বুঢ়ীয়ে ঘৰৰ পৰিয়ালটিক সদায় ভালে কুশলে ৰাখে বুলিও বড়োসকলৰ বিশ্বাস। সেয়েহে 'মায়নো বুঢ়ী'ৰ গীতত পোৱা যায়।

"হে আই মায়নো নুংখৌ খুলুমবনানি।
বুংবনি ফংনিস্থ খাথা মনো মিথিনানি ॥
আই মায়নো' বুং মনোনু ৰংজাস্থনানি।
খানাসং মায়নোনি খাথা, আঙু বুংবনি ॥
'নোঃ সিঙ্গো থানি আং ফিসাফুব্‌খৌ লাখিয়ি।
ইনজুৰ বলংথিং থাগুন্ আঙুনায়ি ॥
স্থৰ ফায়দুং স্থৰ্ ফায়া যাদুং না যায়া।
নায়গুন্ আং নুংস্থবণি কঙ্গু মাবেয়া'॥
মায়নো বুড়ী বিমাবুড়ী জ্ঞান গাহায়।
নায়বায় থায়ু মাজাং হামা (আইয়া) বিনি খায় ॥
মাজাং গিয়ান থিং থাং বালানু মাজাং থায়ু।
নিষ্ঠাৰ থায়া বালা মগন্ এখৌলোয়ু ॥
বিনিখায় আই আফাফুৰ। থাঃ নিষ্ঠাৰ।
নোঃ সিঙো হাব্‌নো সবদাব্ সবদাব্ ॥
হাঠেং হাখায় স্থঃ নুং নোসিঙো হাবুবালা।
গুজুন্ ডি খাংখিৰি আইখৌ বাওৱা ॥
নিয়মখৌ হামি যায় আইখৌ মানিয়ু।
জানো লুংনো থুয়ুং ফিসা ফিসৌ মাজ্রাং থায়ু ॥
বিনি খায় আইনামো যথন্ খালাম।
হাঠেং, হাদুৰী মুননো খুলুমনো হাম্ ॥"

বড়োসকলে 'মায়নো বুঢ়ীক' বৰ ভক্তিৰে পূজা সেৱা কৰে। তেওঁলোকে এই দেৱীক পৰিয়ালৰ উত্তৰৰ ঘৰখনৰ ভিতৰত পূৱ মূৰে থকা মুধ খুঁটাটোৰ গুৰিত স্থাপন কৰি পূজা সেৱা কৰে। 'মায়নো বুঢ়ী'ক যে কি কাৰণে এনেদৰে পূজা কৰা হয় সেই সম্পৰ্কে বড়ো সকলৰ মাজত এটি সুন্দৰ আখ্যান প্ৰচলিত হৈ আছে। আখ্যানটো হৈছে এই--

এসময়ত এহাল বুঢ়া-বুঢ়ী আছিল। সিহঁতৰ ঘৰৰ অৱস্থা আছিল বৰ জয়-জয় ময়-ময়। সাত জন পুতেক আৰু এজনী মাথোন নুমলীয়া জীয়েক আছিল সিহঁতৰ সন্তান। এজনী মাথোন ছোৱালী হোৱাৰ কাৰণে ঘৰ খনত তাই আছিল বাপেক মাকৰ আৰু ককায়েকহঁতৰ বৰ আলাসৰ লাডু। সেয়েহে সিহঁতে অতিকৈ মৰম কৰি ছোৱালীজনীৰ নাম ৰাখিলে "মায়নো'। আনপিনে সেই সময়তে পুতেকহঁত ডাঙৰ হৈ বিবাহৰ কাৰণে উপযুক্ত হোৱাত বুঢ়াই বৰ ধুম ধামেৰে সিহঁতৰ বিয়া পাতি দিলে। কিন্তু দুৰ্ভাগ্যৱশতঃ বুঢ়াই পুতেকহঁতৰ সোণৰ সংসাৰখন বেছি দিন দেখিবলৈ নোপাওঁতেই ইহ সংসাৰ পৰিত্যাগ কৰিবলগীয়া হল। বুঢ়াৰ মৃত্যুৰ কিছুদিন পিছতেই বুঢ়ীও চিৰকাললৈ চকু মুদিলে

বাপেক মাকৰ মৃত্যুৰ সময়ত ছোৱালীজনী আছিল তেনেই সৰু। সেয়েহে পিতাক মাকৰ অবিহনত ককায়েকহঁতৰ মৰম স্নেহৰ মাজতেই তাই চন্দ্ৰকলাৰ নিচিনাকৈ লাহে লাহে ডাঙৰ হবলৈ ধৰে। ককায়েক-হঁতৰ পৰাই তাই পাইছিল অকৃত্ৰিম মৰম আৰু অফুৰন্ত চেনেহ। সিহঁতে তাইক ইমান মৰম কৰিছিল যে তাইক ঘৰুৱা কাম বন কৰিব দিয়াতো দূৰৰে কথা আনকি তাই কষ্ট পাব বুলি ঘৰৰ সকলোৱে তাইৰ আল-পৈচানহে ধৰিছিল। ককায়েকহঁতে মায়নোক ইমান মৰম স্নেহ কৰি ৰখাতো কিন্তু তাইৰ বৌৱেকহঁতে মুঠেই সহ্য কৰিব নোৱাৰিছিল। সেয়েহে কেনেকৈনো ছোৱালীজনীৰ অনিষ্ট সাধন কৰিব পাৰি তাকেহে সদায় বৌৱেকহঁতে মনে মনে চিন্তা কৰিছিল। কিন্তু গিৰীয়েকহঁতৰ ভয়ত তাইঁতে মায়নোৰ এডাল চুলিকো অনিষ্ট কৰিব পৰা নাছিল। লাহে লাহে কিন্তু বৌকেহঁতৰ এই চক্ৰান্তৰ কথাতো ককায়েকহঁতেও গম পালে। সেয়েহে ঘৈনীয়েকহঁতে যাতে সিহঁতৰ ভনীয়েকৰ একো সৰ্ব্বনাশ কৰিব নোৱাৰে তাৰ কাৰণে সকলোকে সাৱধান কৰি দি সিহঁতে নিজেও তাইহঁতৰ ওপৰত সতৰ্ক দৃষ্টি ৰাখি থাকিল।

এইদৰে কিছুদিন যোৱাৰ পিচত সেই সাতজন ককায়েক-ভায়েকে বাৰ বছৰ বণিজ কৰিবলৈ কোনো এখন দূৰ দেশলৈ যাবলগীয়া হল। সেয়েহে সিহঁতৰ অনুপস্থিতিত বৌৱেকহঁতে যাতে মায়নোৰ একো অনিষ্ট কৰিব নোৱাৰে তাৰ বাবে সিহঁতে এটি বৰ ওখ চাং পাতি তাতে মায়নোক থাকিবলৈ দিলে। আৰু তাইৰ কাৰণে তাতে বাৰ বছৰৰ খাদ্যসম্ভাৰ যোগাৰ কৰি দিলে। তাৰ পিচত সাত ভায়েকে ভনীয়েকক সাৱধান কৰি দিলে যাতে সিহঁত বণিজৰ পৰা ঘূৰি নহা পৰ্য্যন্ত তাই চাঙৰ পৰা তললৈ নামি নাহে। ইয়াকে কৈ সাত ভায়েকে নাও মেলি বণিজলৈ যাত্ৰা কৰিলে।

সাত ভায়েকে বণিজলৈ যোৱাৰ পিচৰে পৰা মায়নোৰ বৌৱেকহঁতে সদায় তলে তলে ছোৱালীজনীৰ অনিষ্ট সাধন কৰিবলৈ নানা চেলু বিচাৰিবলৈ ধৰিলে। তাইহঁতে ভাবিলে, "সাত ভায়েকৰ অনুপস্থিতিৰ সুযোগতে আমাৰ এই চকুৰ কুটা, দাঁতৰ শালটোক গুচাব লাগিব।" ইয়াকে ভাবি বৌৱেকহঁতে ছোৱালীজনীৰ সৰ্ব্বনাশ কৰিবৰ কাৰণে বৰ উঠি পৰি লাগিল। কিন্তু ছোৱালী-জনী সদায় চাঙখনৰ ওপৰত থকাৰ কাৰণে বৌৱেকহঁতে তাইৰ একো অনিষ্ট কৰিবলৈ সুবিধা কৰিব পৰা নাছিল। সেয়েহে মায়নোৰ বৌৱেকহঁতে নানা আলোচনা কৰি ছোৱালীজনীক ছলে, বলে, কৌশলে তললৈ নমাই আনিবৰ কাৰণে সিদ্ধান্ত কৰিলে। তাইহঁতে প্ৰথমতে ডাঙৰজনী জায়েকক নানা বুদ্ধিৰে মায়নোক চাঙৰ পৰা তললৈ নমাই আনিবৰ কাৰণে পঠিয়াই দিলে। মায়নোৰ ডাঙৰ বৌৱেকজনীয়ে তাই থকা চাঙৰ তললৈ গৈ তাইক এই বুলি মাতিব ধৰিলে।

"ফাইৰু বাওনাং ফাইৰু, ফাইৰু বাওনাং ফাইৰু
নুংনি খাত ভাইয়া, নুংনি খাত ভাইয়া
বণিজো থাংদু; জুংখো খাথা লাংদু
'জুংনি বৈনীয়া বিলায় আলায় যাগুণ্।
খৰোও থেমা যাগুণ্ নায়নানৈ সোণানৈ হু'
হুননানি খাথা লাংদু, ফাইৰু বাওনাং ফাইৰু।

(আহা ননদজনী আহা। তোমাৰ সাত ভায়ে বণিজলৈ গৈছে; আমাক কৈ গৈছে 'আমাৰ ভনীটিৰ দুখ দুৰ্গতি হব, মুৰত ওকনী হব সেইবোৰ চাই মুৰটো ফণিয়াই দিবা' এই বুলি কৈ গৈছে, আহা ননদজনী--আহা।)

ডাঙৰ বৌৱেকে মায়নোক মাতেহে মাতে; কিন্তু ছোৱালীজনীয়ে তাইৰ বৌৱেকৰ কুঅভিসন্ধিতো বুজিব পাৰি কেতিয়াও চাঙৰ তললৈ নামি আহিবলৈ মান্তি নহল। ডাঙৰ জায়েকজনীয়ে মায়নোক চাঙৰ তললৈ নমাই অনাত সমৰ্থ নোহোৱাত দ্বিতীয়জনী জায়েকেও মায়নোই থকা চাঙৰ তললৈ গৈ প্ৰথমজনী জায়েকে মতাৰ দৰে তাইক মাতিবলৈ ধৰিলে। কিন্তু তাইয়ো ছোৱালীজনীক চাঙৰ পৰা নমাই আনিবলৈ অসমৰ্থ হল। তাইৰ পিচত ক্ৰমে তৃতীয়, চতুৰ্থ, পঞ্চম আৰু ষষ্ঠ জনী জায়েকেও চাঙৰ তললৈ গৈ মায়নোক চাঙৰ পৰা নামি আহিবলৈ বহুতো কাকুতি-মিনতি কৰি মাতিবলৈ ধৰিলে। কিন্তু তথাপিও ছোৱালীজনী চাঙৰ পৰা নামি নাহিল। তেতিয়া তাইহঁতে সপ্তমজনী জায়েকক 'মায়নো'ক চাঙৰ পৰা নমাই আনিবৰ কাৰণে পাচিলে। কিন্তু সপ্তমজনী জায়েকে ছোৱালীজনীক চাঙৰ পৰা নমাই আনিবৰ কাৰণে অমান্তি হল। কাৰণ তাই

মায়নোক বৰ ভাল পাইছিল আৰু মৰমো কৰিছিল। আনপিনে ছোৱালীজনীও তাইৰ সৰু বৌৱেকককহে সকলোতকৈ বেচি ভাল পাইছিল। সেয়েহে মায়নোৰ সৰুবৌৱেকে তাইৰ জায়েকহঁতৰ কুঅভিসন্ধিটো মুঠেই ভাল পোৱা নাছিল আৰু কেনেকৈনো তাইহঁতৰ কু-চক্ৰান্তৰ পৰা ছোৱালীজনীক ৰক্ষা কৰিব পাৰি তাৰেহে উপায় চিন্তা কৰিছিল। কিন্তু আনপিনে ছোৱালীজনীক চাঙৰ পৰা নমাই আনিবলৈ নোযোৱাৰ কাৰণে সৰু-বৌৱেকক তাইৰ জায়েকহঁতে বহুতো গালি শপনি পাৰি মাৰিবলৈ খুঁজিলে। তেতিয়া কোনো উপায় নাপাই সৰু বৌৱেকে মায়নোক মাতি আনিবলৈ বাধ্য হল। তাই কান্দি কান্দি মায়নোই থকা চাঙৰ তললৈ গৈ মায়নোক ইনাই বিনাই মাতিবলৈ ধৰিলে।

"ফাইৰু বাওনাং ফাইৰু, ফাইৰু বাওনাং ফাইৰু
নুংনি খাত ভাইয়া, নুংনি খাত ভাইয়া
বণিজো থাংদু ; জুংখো খাথা লাংদু
'জুংনি বৈনীয়া বিলায় আলায় যাগুণ,
খবোও থেমা যাগুণ নায়নানৈ সোণালৈ ছু'
ছুননানি খাথা লাংদু, ফাইৰু বাওনাং ফাইৰু।
নুংখো লিংনো ফৈয়া বালা আৰও মুৱা
আংখো বায়ু খুয়ু ; ফাইৰু বাওনাং ফাইৰু।
নুং বাওনাঙা ফায়াবালা আংলায় মাহেৰে থাগুণ,
মাহেৰে যাগুণ। আৰও গেদেৎ ফুৱা
আংখো খুনানি খুথাত গুণ্ ;
ফাইৰু বাওনাং ফাইৰু, আংখো অন্নানি ফাইৰু।"
(আহা ননদজনী আহা!...... তোমাক মাতিবলৈ নাহিলে বাইদেউহঁতে (অৰ্থাৎ জায়েকহঁতে) মোক গালি পাৰে, কোবায় আহা ননদজনী আহা। তুমি ননদজনী নাহিলে মইনো কেনেকৈ থাকিম, কেনেকৈ খাম ; ডাঙৰ বাইদেউহঁতে মোক কোবাই মাৰিব ; আহা ননদজনী আহা, মোক দয়া কৰি আহা।)

সৰু বৌৱেকে এইদৰে কান্দি কান্দি মায়নোক ইনাই বিনাই মতা শুনি ছোৱালীজনীৰ অন্তৰতো বৰ দুখ লাগিল। সেয়েহে তাই নিজৰ বিপদৰ কথাও আওকাণ কৰি চাঙৰ পৰা নামি আহিল। চাঙৰ পৰা নামি অহাৰ লগে লগে ডাঙৰ ছজনী বৌৱেকে মায়নোক ধৰি আনি তাইহঁতৰ গোহালি ঘৰখন অঁতাবলৈ লগাই দিলে। কিন্তু বেচেৰী ছোৱালীজনীয়ে জীৱনত কেতিয়াও তেনে কাম কৰি পোৱা নাই। সেয়েহে গোহালি ঘৰখন অঁতাবলৈ নাজানি তাই গোহালি ঘৰৰ ভিতৰতে থিয় হৈ থাকিল তাকে দেখি বৌৱেকহতে তাইক নথৈ গালি-শপনি পাৰি বহুতো মাৰি ধৰি তাৰ পৰা তাইক বান্ধনী ঘৰলৈ টানি আনিলে আৰু ভাত বন্ধা কামত লগাই দিলে। কিন্তু বেচেৰীয়ে কেনেকৈ ভাত ৰান্ধিব লাগে নাজানি ৰান্ধনী ঘৰতে উচুপি উচুপি কান্দি থাকিল। ইয়াকে দেখি তাইৰ বৌৱেকহঁতে খঙতে একো নাই হৈ তাইক বহুতো গালি পাৰি তাইৰ পিঠিত ধনঞ্জয় প্ৰহাৰ দিবলৈ ধৰিলে। মাৰৰ কোবত বেচেৰী ছোৱালীজনীৰ গা ফাটি তেজ ওলাল। কিন্তু ইমান মাৰিও বৌৱেকহঁতৰ হেঁপাহ নপলাল তাইক আকৌ বৌৱেকহঁতে ঢেঁকীশাললৈ টানি আনি ঢেঁকীৰ আগত বহুৱাই তাইক ধান বঢ়াবলৈ লগাই দি তাইহঁতে নিজে ঢেঁকী দিবলৈ ধৰিলে। বৌৱেকহঁতে ঢেঁকী দি থাকোতে এবাৰ হঠাৎ চাব মাৰি ঢেঁকীটো পেলাই দি মায়নোৰ সোঁহাতখন খুন্দি পেলালে। সোঁহাত খন খুন্দি দিলত যন্ত্ৰণাত অসহ্য হৈ ছোৱালীজনী কান্দি উঠিল। কিন্তু কান্দিলেই জানো তাই বৌৱেকহঁতৰ পৰা হাত সাৰিব পাৰিব। অৱশেষত মায়নোক বাওঁ হাত-খনেৰে খুবলিত ধান বঢ়াই দিবলৈ দি বৌৱেকহঁতে তাইৰ বাওঁহাতখনো খুন্দি দিলে। ইমান কৰিও কিন্তু বৌৱেক হঁতে ছোৱালীজনীক এৰি নিদিলে। বাওঁহাতখন খুন্দাৰ পিচত ছোৱালীজনীক সোঁভৰিৰে ধান বঢ়াবলৈ কৈ বৌৱেকহঁতে তাইৰ সোঁভৰিখনো খুন্দিলে আৰু তাৰ পিছত সেইদৰে তাইৰ বাওঁভৰিখনো খুন্দিলে। যন্ত্ৰণাত অসহ্য হৈ বেচেৰী ছোৱালীজনী চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। কিন্তু বেচেৰীৰ ইমানতো ৰক্ষা নহল। অৱশেষত বৌৱেকহঁতে তাইক নদীত গা ধুৱাব বুলি কৈ নদীৰ ঘাটলৈ টানি আনিলে। তাৰ পিচত তাইহঁতৰ চকুৰ কুটা, দাঁতৰ শাল এই ছোৱালীজনীক চিৰদিনৰ কাৰণে গুচাবৰ বাবে তলত সাত খন চৰু আৰু ওপৰত সাতখন চৰু দি তাৰ মাজত ছোৱালীজনীক ভৰাই দি নৈত উটাই দিলে। মায়নোক নৈত উটাই দি তাইৰ বৌৱেকহঁতে

তাইহঁতৰ চকুৰ কুটা, দাঁতৰ শালটো আৰু নাই বুলি ভাৱি আনন্দ মনেৰে ঘৰলৈ উভতিল।

চৰুটো নৈত উটি গৈ গৈ 'তাওখা ৰজা' নামৰে এক বুঢ়া ৰজাৰ ৰাজ্য পালেগৈ। সেই সময়ত 'তাওখা ৰজা'ই সদায় আবেলি পৰত মাছ ধৰিবৰ কাৰণে বাঁহৰ এটি ডাঙৰ 'খোৰা' সেই ঠাইত পাতি থৈছিল। 'মায়নো'ক উটাই দিয়া সেই চৰুটো দৈৱাৎ সেই 'খোৰা'টোত লাগি থাকিল গৈ। ৰাতি পুৱালত 'তাওখা ৰজা'ৰ চাকৰবিলাকে সেই 'খোৰা'খন চাবলৈ গল। কিন্তু 'খোৰা'খন সিহঁতে সেইদিনাখন দাঙিব নোৱাৰি আচৰিত হল আৰু ততালিকে মানুহ পঠিয়াই 'তাওখা ৰজা'ক খবৰ দিয়ালে। সেই সময়ত 'তাওখা ৰজা'ই টোপনিৰ পৰা উঠা নাছিল। এজন চাকৰে বুঢ়া ৰজাৰ ওচৰলৈ গৈ 'খোৰা'খন দাঙিব নোৱাৰা কথাটো কলত ৰজাই বৰ আচৰিত হৈ ততালিকে তেওঁ ঠাইলৈ গল। ঠাইলৈ গৈ বুঢ়া ৰজাই জলকুঁৱৰীক আৰাধনা কৰাত সেই 'খোৰা'টো থৰ থৰ কৈ কঁপি উঠিল। জলকুঁৱৰীক আৰাধনা কৰি উঠি 'তাওখা ৰজা'ই তেওঁৰ এটি কেঁৰা আঙুলিৰে সেই 'খোৰা'খন দাঙি আনিলে। 'খোৰা'খন দাঙি আনি ৰজাই দেখিলে যে তলত সাতখন চৰু আৰু ওপৰত সাতখন চৰুৰ মাজত এজনী দীপলিপ ছোৱালী। ছোৱালীজনীক দেখি 'তাওখা ৰজা'ই আচৰিত হৈ সুধিলে "হেৰ, তই কোন ? কোনোবা দেৱী নে মানৱী ? নে কোনোবা যখিনী ?" তেতিয়া ছোৱালীজনীয়ে উত্তৰ দিলে "মই কোনো দেৱীও নহও যখিনীও নহওঁ। মই মানৱবহে ছোৱালী।" এই বুলি কৈ ছোৱালীজনীয়ে 'তাওখা ৰজা'ৰ আগত নিজৰ দুখৰ কাহিনী বিলাক বৰ্ণাই কান্দিবলৈ ধৰিলে। তাইৰ দুখৰ কথা শুনি বুঢ়া ৰজাৰ মনতো বৰ দুখ লাগিল। সেয়েহে বুঢ়া ৰজাই ছোৱালীজনীক তেওঁৰ নাতি পুতিৰ 'ৰকুলী' কৰি ৰাখি তাইক আশ্ৰয়দান দিলে।

'তাওখা ৰজা'ৰ নাতি-পুতিৰ ৰকুলী হৈ মায়নোই বুঢ়াৰজাৰ নাতি-পুতিক নিচুকাবলৈ সদায় নদীৰ পাৰলৈ লৈ যায়। সিহঁতে কেতিয়াবা কান্দিলে তাই নিজৰ দুখৰ কাহিনীকে বৰ্ণাই গীত গাই গাই সিহঁতক শান্ত কৰে। গীত গাই গাই অপলক দৃষ্টিৰে সদায় চাই থাকে তাই নদীৰ বুকুলৈ। মনত হয়তো আশা—কিজানি সেই নদীয়েদি তাইৰ ককায়েকহঁত বণিজৰ পৰা ঘূৰি আহেই। কিন্তু তাই আশা কৰা মতে কোনো দিনেই সেই নদীয়েদি তাইৰ ককায়েকহঁত বণিজৰ পৰা ঘূৰি অহা নাই। সেয়েহে হতাশাত তাই এটি দুখৰ হুমুনিয়াহ সৰি পৰে আৰু কান্দো কান্দো হৈ বিষাদ মনেৰে গধূলি সময়ত 'তাওখা ৰজা'ৰ ঘৰলৈ উভতি যায়।

সদায় যোৱাৰ দৰে সেইদিনাখনো মায়নোই গৈছিল সেই নদীৰ পাৰলৈ—লগত আছিল 'তাওখা ৰজা'ৰ এটি কেচুৱা নাতি। তেতিয়া সময় আছিল ভৰ দুপৰীয়া মানুহবিলাকে সেই সময়ত দুপৰীয়াৰ আহাৰ খাই উঠি কিছু বিশ্ৰাম লৈছিল। সেয়েহে তেতিয়া নদীৰ পাৰটো হৈ পৰিছিল নিৰ্জ্জন আৰু নীৰৱ নিস্তব্ধ। মাথোন বহুদূৰৈৰ পৰা বিণিকি বিণিকি ভাহি আহিছিল এটি কপৌ চৰাইৰ করুণ বিননি। তেনে এটি নিৰ্জ্জন পৰিবেশত কপৌ চৰাইৰ সেই করুণ বিননিটো শুনি মায়নোৰ ভাতৃশোকটো বেচিকৈহে উথলি উঠিছিল। তাই মাথোন কান্দো কান্দো হৈ অপলক দৃষ্টিৰে চাই আছিল সেই নদীৰ বুকুলৈ। এনেতে সেই নিৰ্জ্জনতা ভঙ্গ কৰি কান্দি উঠিছিল 'তাওখা ৰজা'ৰ সেই কেচুৱা নাতিটো। মায়নোই তাক শান্ত কৰিবলৈ বহুতো চেষ্টা কৰিছিল। কিন্তু তাক শান্ত কৰিবলৈ তাই যিমানেই আপ্ৰাণ চেষ্টা কৰিছিল কেচুৱাটো সিমানেহে বেছিকৈ কান্দিছিল। কেচুৱাটো শান্ত কৰিব নোৱাৰি অৱশেষত ছোৱালীজনী নিজেও উচুপি উচুপি কান্দি উঠিল। কান্দি কান্দিয়েই মায়নোই 'তাওখা ৰজা'ৰ সেই কেচুৱা নাতিটো শান্ত কৰিবৰ বাবে নদীৰ পাৰৰ এজোপা বাঁহৰ ছাঁয়াত গৈ তাইৰ সেই গীতটো গাবলৈ ধৰিলে

"আংনি খোফানলে এচেবা দুখু দংলায়মুন ঐ
এচে আনালি জাগাববায় আংহা।
আংনি খাত ভাওজীয়া বুনানি খুনানি
সাম্‌থেং সাখায় চেফেতবায় আংখো।
এচে আনালি জাগাববায় আংহা।
থুখুনো লাংনিথু বুংনানই
দৈমায়ো ভাচায়নানি হবায় আংখো
ভাচিনো ভাচিনো এচেবা গাজান মুন্‌লায়বায় আং।

তাওখা বাজায়া নুনুনানই বিচুনি বোখানি খালামবায় এচে আনালি জাগাববায় আংহা ।
আংনি খাত ভাইয়া বণিজ কামায়নো থাংদু
অ আদাফুৰ মাখিনি নুগুণ্ আংনুচুবখো ।''

(মোৰ কপালতনো ইমান দুখ আছিল ঐ ইমান মোৰ বিলাই হল । মোৰ সাতজনী বৌৱে মাৰ ধৰ কৰি মোৰ হাত ভৰি ভাঙি দিলে । ইমান দুৰ্গতি হল মোৰ ! গা ধুৱাবলৈ নিম বুলি কৈ নৈত মোক উটাই দিলে ; উটি গৈ গৈ যে মই কিমান দূৰ পালো । 'তাওখা বজা'ই পাই মোক নাতিয়েকৰ বকুলী কৰি ৰাখিলে । ইমান বিলাই হল মোৰ ! মোৰ সাত ভায়ে বণিজ কৰিবলৈ গৈছে ; অ ককাইহঁত কেতিয়া তহঁতক মই দেখা পাম ।)

মায়নোই এইদৰে কান্দি কান্দি গীত গাই থাকোতে তাইৰ ককায়েকহঁত বাৰ বছৰ বণিজ কৰি সেইপিনেদি নাৱেৰে উজাই ঘৰলৈ উভতি আহিছিল । দূৰৰে পৰা এই বিননি শুনি ককায়েকহঁতে সেইখিনিতে নাও ৰাখি ছোৱালীজনীৰ ওচৰলৈ গৈ তাইৰ কি হৈছে আৰু কিয় কান্দিছে বুলি সুধিলে । তেতিয়া ছোৱালীজনীয়ে কান্দি কান্দি তাইৰ দুখৰ কাহিনীটো সিহঁতৰ আগত কলে। তেতিয়া ছোৱালীজনীক সিহঁতেৰে ভনীয়েক বুলি বুজি পাই সাত ভায়েকেও তাইৰ আগত সিহঁতৰ চিনাকি দিলে আৰু ভনীয়েকক লৈ 'তাওখা বজা'ৰ ওচৰ পালেগৈ। বজাক সিহঁতে নিজৰ পৰিচয় দি সিহঁতৰ ভনীয়েকক তাৰ পৰা নিজৰ ঘৰলৈ নিবলৈ ইচ্ছা প্ৰকাশ কৰিলে। বুঢ়া বজায়ো সিহঁতৰ প্ৰস্তাৱত আনন্দ মনেৰে সন্মতি প্ৰকাশ কৰিলে। 'তাওখা বজা'ই ইমান দিন সিহঁতৰ ভনীয়েকক প্ৰতিপালন কৰি থকাৰ কাৰণে সাত ভায়েকে সাতটা মণি মুক্তাৰ টোপোলা বুঢ়া বজাক দি মায়নোক লৈ নিজৰ ঘৰলৈ যাত্ৰা কৰিলে। (সাত ভায়েকে সাতটা মণি মুক্তাৰ টোপোলা বুঢ়া ৰজাক দি ছোৱালীজনীক নিজৰ ঘৰলৈ লৈ যোৱাৰ কাৰণেই বৰ্ত্তমানে কছাৰীসকলে ছোৱালী বিয়া কৰাবলৈ সুধা পুছা কৰিলে টোপোলা দিয়াৰ নিয়ম আছে বুলি কছাৰী সকলে কয় ।)

সাতভায়েকে সিহঁতৰ ভনীয়েকক লৈ যেতিয়া ঘৰ পালেগৈ, তেতিয়া সিহঁতে ঘৈনীয়েকবোৰক ওচৰলৈ মাতি মায়নোক দুখ কষ্ট দিয়াৰ কাৰণে এটি বিচাৰ কৰিলে। কিন্তু বিচাৰত কোনো জনী ঘৈনীয়েকেই নিজৰ দোষতো স্বীকাৰ নকৰিলে। তেতিয়া সাত ভায়েকে তাইহঁতক পৰীক্ষা কৰিবৰ কাৰণে এটা দ পুখুৰী খান্দি তাতে জেং আৰু কাইট পুতি এডাল এৰাঁ সূতা পুখুৰীটোৰ ইপাৰৰ পৰা সিপাৰলৈ বান্ধি দিলে। তাৰ পিছত ঘৈনীয়েকহঁতক এজনী এজনীকৈ সেই সূতাডালৰ ওপৰেদি খোজ কাঢ়ি পাৰ হবলৈ দিলে। তেতিয়া এজনী এজনীকৈ ছয়জনী ঘৈনীয়েকে এৰাঁ সূতাৰ ওপৰেদি গৈ সূতা ছিগি পুখুৰীত পৰি মৰিল। কিন্তু সপ্তমজনীয়ে পুখুৰীত নপৰিল । তাই সেই সূতাদি সাতবাৰ অহা যোৱা কৰিলে । তথাপি সূতাডাল নিছিগিল । কাৰণ মায়নোৰ সকুজনী বৌৱেকে সচাকৈ ছোৱালীজনীক কেতিয়াও কষ্ট দিয়া নাছিল ; বৰং তাই মায়নোক বৰ ভাল পাইছিল। আৰু মৰমহে কৰিছিল। সপ্তমজনীয়ে পুখুৰীত সূতা ছিগি নপৰাৰ কাৰণে সাত ভায়েকে তাইক নিৰ্দোষী বুলি বুজিলে। ইয়াৰ পিছত সাত ভায়েকে মায়নোক ঘৰলৈ আনি ঘৰুৱা কোনো কামবন কৰিবলৈ নিদি সিহঁতৰ উত্তৰৰ ঘৰখনৰ ভিতৰত পূৱ মূৰে থকা মুধা খুটাটোৰ গুৰিত তাইক বহুৱাই ৰাখি তাতে তাইক সদায় সিহঁতে আলপৈচান ধৰি থাকিবলৈ ধৰিলে। মায়নোৰ আলপৈচান ধৰি থাকোতে সাতভায়েকে এটি ভৱিষ্যত বাণী কৰিলে যে এই মায়নোই পিছত ''মায়নো বুঢ়ী'' নামে জনাজাত হৈ দেৱীৰ নিচিনাকৈ সদায় জন-সমাজৰ পৰা পূজা সেৱা আদি পাই থাকিব । যি লোকে সদায় এই দেৱীক ভক্তিৰে পূজা সেৱা কৰিব তেনেলোকৰ ঘৰত সদায় ধন ধান, ঐশ্বৰ্য্য বিভূতিৰে উপচি পৰিব। ইয়াৰ উপৰি এই দেৱীক পূজা কৰিলে ঘৰৰ পৰা বেমাৰ আজাৰ নোহোৱা হৈ পৰিয়ালটি সদায় ভালে কুশলে থাকিব ।'

সেয়েহে কছাৰীসকলে আজিও 'মায়নো বুঢ়ী'ক পৰিয়ালৰ উত্তৰৰ ঘৰখনৰ ভিতৰত পূৱ মূৰে থকা মুধা খুটাটোৰ গুৰিত স্থাপন কৰি বৰ ভক্তিৰে পূজা সেৱা কৰে। প্ৰতি বছৰে আঘোণ মাহত ঘৰৰ গৃহস্থই 'নৱান্ন' খোৱা দিনাখন বৰোসকলে এই দেৱীক পূজা কৰে। সেইদিনাখন গৃহস্থই দেৱীৰ পুৰণি টেকেলীটো পেলাই দি এটি নতুন টেকেলীত নতুন ধানৰ চাউলেৰে ভৰ্ত্তি কৰি তাৰ গলত নতুন এৰাঁ সূতা, কপাহ আদিৰে মালা

পিছাই টেকেলীটোৰ মুখত মাটিৰ এটি নতুন চাকনি দি এই 'মায়নো বুঢ়ীক স্থাপন কৰা হয়। এই দেৱীক পূজা কৰিলে দেৱী থোৱা ঠাইখিনি পানীৰে মচি পিঠা গুৰিৰে দেৱীৰ আসন পতা হয়। তাৰ পিচত দেৱীক বেদীত স্থাপন কৰি ইয়াৰ কাষত মাটিৰ চাকি বন্তী জলোৱা হয়। এই দেৱীক পূজা কৰিলে 'খাং খালা' (মেদেলাবন) আৰু 'মোখানা' (ভেটেতিতা ) গছ দেৱীৰ কাষত পুতি থোৱা হয়। ইয়াৰ পিচত আগলতি পাত পাৰি নৈবেদ্য আদিৰে দেৱী পূজা কৰা হয়। লগতে 'জুখুলী দাও' (কণী নিদিয়া মাইকী কুকুৰা) এটা কাটি চৰাইৰ মূৰটো দেৱীৰ আগত থোৱা হয়। বড়োসকলৰ বিশ্বাস যে দেৱী পূজা কৰা সেই চৰাইৰ মূৰটো তথা দেৱীৰ সেই নৈবেদ্যখিনি খৰচীয়া যেকুৰী বা কোনো জীৱ জন্তুই তাক কেতিয়াও স্পৰ্শ নকৰে। যদি দেৱীৰ সেই দৈবদ্যখিনি নাইবা দেৱীক পূজা কৰা সেই চৰাইৰ মূৰটো খৰচীয়া কোনো জীৱ জন্তুই কিবা অনিষ্ট কৰে তেনেহলে সেই ঘৰৰ পৰিয়ালৰ ভবিষ্যতে কিব অনিষ্ট হয় বুলি কছাৰীসকলৰ বিশ্বাস। 'মায়নো' বুঢ়ীক পূজা কৰাদিনাখনেই দেৱীৰ নৈবেদ্যখিনিক উঠোৱা নহয়; তাৰ পিচ দিনাখনহে সেই নৈবেদ্যখিনি উঠোৱা হয়। 'মায়নো বুঢ়ী' পূজা আঘোণ মাহৰ বাহিৰেও 'বহাগ বিহু' 'কাতি বিহু' আৰু 'মাঘবিহু'ত কৰা হয়। ইয়াৰ বাহিৰেও বিয়া-বাৰু বিলাকতো এই দেৱীক বড়ো সকলে পজা কৰে। বিহু নাইবা বিয়া বাৰুত এইদেৱীক পূজা কৰিলে পূজা কৰা দিনাখনেই দেৱীৰ নৈবেদ্য বিলাক লগে লগে উঠোৱা হয়।

(এই প্ৰবন্ধটো যুগুত কৰোঁতে ভোগদাবাৰী (বকো) নিবাসী শ্ৰীযুত মিকুৰচন্দ্ৰ বড়োই বিশেষ ভাৱে সহায় কৰি দিয়াৰ কাৰণে তেখেতৰ ওচৰত লিখক চিৰ কৃতজ্ঞ।)

# খাদ্য সমস্যা আৰু প্ৰতিকাৰ

শ্ৰীনিলীমা বায়ন
প্ৰথম বাৰ্ষিক (কলা)

আজি কেইবছৰমানৰ পৰা ভাৰতৰ খাদ্য সমস্যা জটিলৰ পৰা জটিলতৰ হৈ উঠিছে। খাদ্য সমস্যাই এনে ভয়াবহ ৰূপত দেখা দিছে যে, ই এটা জাতীয় জলন্ত সমস্যাত পৰিণত হৈছে। এই সমস্যাক কেৱল দলীয় দৃষ্টিভঙ্গীৰে নাচাই সমূহীয়া হিচাপে সমাধান কৰাৰ নিতান্ত প্ৰয়োজন হৈ পৰিছে।

খাদ্য সমস্যা উদ্ভৱ প্ৰধানকৈ দুটা কাৰণত হব পাৰে। জনসংখ্যা অনুপাতে অধিক খাদ্য বস্তু উৎপাদন নহলে আৰু উৎপাদন হ্ৰাস পালে। ভাৰতত বৰ্ত্তমান দুয়োটাকে দেখা গৈছে। জনসংখ্যা যি অনুপাতে বাঢ়িছে সেই অনুপাতে খাদ্য বস্তু উৎপন্ন হোৱা নাই, আনহাতে উৎপন্নও আগতকৈ কমি গৈছে। ফলত ভাৰতীয় লোকসকলে যি পৰিমাণত খাদ্য বস্তু পাব লাগে সি পৰিমাণত নাপায়।

ভাৰতবৰ্ষত অতি ক্ষীপ্ৰতৰ গতিত জনসংখ্যা বৃদ্ধি পাইছে। খাদ্য বস্তু কমি যোৱাৰ লগে লগে বস্তুৰ দামও চৰা হৈছে। যিহেতু চাহিদা অনুপাতে বস্তুৰ যোগান নহয়। ফলত মানুহক যি পৰিমাণৰ খাদ্যৰ দৰ্কাৰ সেই পৰিমাণৰ খাদ্য নাপায়। আকৌ যিখিনি পায় সিয়ো সুখাদ্য নহয়। তাত নানান ধৰণৰ ভেজাল। আনহাতে থকা বস্তু খিনিও বিতৰণৰ বেমেজালি আৰু প্ৰশাসনীয়ৰ খাম খিয়ালিৰ বাবে ৰাইজৰ মাজত ঠিকমতে বিতৰণ নহয়। সুস্থ সবল দেহ ৰক্ষাৰ কাৰণে মানুহক প্ৰটিন জাতীয় খাদ্য দ্ৰব্যৰ আৱশ্যক যেনে, মাছ, মাংস, গাখীৰ, কণী ইত্যাদি। কিন্তু ভাৰতবৰ্ষৰ বেচি ভাগ মানুহৰে দুৰৱস্থা এনে যে তেওঁলোকে গাখীৰ, কণী, মাছ, মাংসৰ ঠাইত দুবেলা দুমুঠি আহাৰকেই নাপায়।

আন এটা কথা মন কৰিলে দেখা যায় যে, সময়ে সময়ে ব্যৱসায়ীসকলে কৃত্ৰিম অনাটনৰ সৃষ্টি কৰি সৰ্ব্বসাধাৰণক জুকুলা কৰে। ফলত দুখীয়া মানুহে যিমান খাদ্য বস্তুৰ দৰকাৰ সিমান কিনিব নোৱাৰে অৰ্থাভাৱৰ কাৰণে। ব্যৱসায়ীসকলে খেতিয়ক ৰাইজৰ পৰা খেতি চপোৱাৰ সময়ত কম দামত বস্তু কিনি লয় আৰু তেওঁলোকৰ পকা কৰা গুদামত থৈ দিয়ে। ফলত গাঁৱলীয়া হোজা খেতিয়কবোৰে তেওঁলোকৰ কৃষিজাত সামগ্ৰীৰ উচিত মূল্য পোৱাৰ পৰা বঞ্চিত হয় আৰু ব্যৱসায়ীবোৰৰ কু-চক্ৰান্তত তেওঁলোক সদায় গৰীব হৈয়ে থাকিব লগাত পৰে। এইদৰে গুদামত শষ্য বজাই কৰি ৰখাৰ ফলত সাময়িকভাবে কৃত্ৰিম অভাৱৰ সৃষ্টি হয়। আনহাতে বেছি ভাগ খোৱা বস্তু খোৱাৰ অনুপযুক্ত হৈ পৰে।

এই কেইটা হল আচল কথা —বস্তুত ভেজাল, চৰা দামত কলাবজাৰত বস্তু বিক্ৰী, সুগুণা বিশিষ্ট বস্তুৰ অভাৱ লগতে চৰকাৰৰ উদাসীনতা। ভাৰতবৰ্ষৰ নিচিনা এখন "সাৰ্ব্বভৌম গণতান্ত্ৰিক ৰাষ্ট্ৰ"ত মানুহৰ কথাই কামে ভেজাল হোৱাৰ দৰে বস্তুতো ভেজাল হৈছে। ডা-ডাঙৰীয়া সকলৰ ক্ষেত্ৰতেই ভেজাল যেতিয়া কাৰবাৰী সকলৰ বস্তুত ভেজাল নো কি ? যিবোৰ মন্ত্ৰী বিষয়া আছে তেওঁলোক দৰকাৰী সময়ত ৰাইজৰ সেৱক কিন্তু কাৰ্য্যত দেখা যায় তেওঁলোক ৰাইজৰ প্ৰভু। এইদৰে জানো গণতন্ত্ৰ জীয়াই থাকিব পাৰ ?

খাদ্য সমস্যাৰ অন্ত পেলাব লাগিলে সময়ৰ দৰকাৰ, মনোবলৰ দৰকাৰ, নিস্বাৰ্থ দেশসেৱাৰ দৰকাৰ। দুটা উপায়ৰ দ্বাৰা সমস্যাৰ অন্ত পেলাব পাৰি (১) হ্ৰস্বম্যাদী উপায় আৰু (২) দীৰ্ঘম্যাদী উপায়। হ্ৰস্বম্যাদী উপায় বোৰ হ'ল ৰাহি থকা অঞ্চলৰ পৰা খাদ্যবস্তু সংগ্ৰহ কৰি চৰকাৰী গুদামত ৰাখি বিতৰণৰ ব্যৱস্থা কৰা। দ্বিতীয়তো চোৰাংকাৰবাৰীৰ বাবে তৎপৰ হোৱা। আৰু যিবোৰ চোৰাং কাৰবাৰী ভেজালকাৰী বুলি ধৰা পৰে

সিহঁতক বাইজৰ আগত আনি শাস্তি বিহিব লাগে। তৃতীয়তে যিবোৰ বিষয়া বাইজৰ অনিষ্টকাৰী ষড়যন্ত্ৰত লিপ্ত তেওঁলোকক একেবাৰেই কামৰ পৰা বেহাই দি সম্পত্তি বাজেয়াপ্ত কৰা। চতুৰ্থতে বেশ্যনিং দোকান খোলা। এইবোৰ হ্ৰস্বম্যাদী উপায় ললে সাময়িকভাবে খাদ্য সমস্যাৰ সমাধান হব পাৰে। কিন্তু দীৰ্ঘম্যাদী উপায় নললে, খাদ্য সমস্যা সমাধান হোৱা টান। মাটিৰ উৰ্বৰা শক্তি বৃদ্ধি কৰাৰ ব্যৱস্থা পৰিয়াল পৰিকল্পনাৰ গুৰুত্ব আৰোপ কৰা, ভূমিসংস্কাৰ আইন কঠোৰ ভাবে বলৱৎ কৰা, খেতিয়কবোৰক যথাবিহিতভাবে সহায় কৰা, দুতবৰ্পীয়া শষ্যৰ খেতি কৰা, আদৰ্শ ফাৰ্ম্মৰ নমুনা দেখুৱা, খেতিয়কবোৰৰ স্বাস্থ্যৰ উন্নতি কৰা, খেতিয়কৰ উৎপন্ন বস্তুৰ দাম ধাৰ্য্য কৰা আদি দীৰ্ঘম্যাদী ব্যৱস্থাৰ ভিতৰত পৰে। এই ব্যৱস্থাবোৰ কাৰ্য্যত পৰিণত কৰিলেহে খাদ্য সমস্যাৰ অন্ত অৱশ্যম্ভাৱী। কিন্তু তাতকৈ ডাঙৰ কথা মানুহৰ নৈতিক চৰিত্ৰ গঢ়ি তোলাতো। অৰ্থনৈতিক পৰিকল্পনাৰ উপৰিও নৈতিক পৰিকল্পনাৰ প্ৰতিও সহাৰি জনাব লাগে। জাতিৰ নৈতিকতাৰ ওপৰতহে জাতিৰ অৰ্থনীতি, ৰাজনীতি, সমাজ নীতি, শিক্ষানীতি সকলো নিৰ্ভৰ কৰে।

গতিকে খাদ্য সমস্যাৰ সমাধান অৱশ্যম্ভাৱী কেনেকৈ কৰিব পাৰি তাৰ বাবে চৰকাৰে এই গুৰু দায়িত্ব হাতত লোৱা উচিত। তাকে কৰিলে আমাৰ দেশ সুখ সমৃদ্ধিৰে ভৰি পৰিব। লাগে মাথোন সুপৰিকল্পিত আঁচনি ৰচনাত্মক মনোভাব আৰু স্বাধীন জাতিৰ প্ৰতি থাকিব লগীয়া সৎপ্ৰেৰণা তথা কলুষিতা বিহীন এখন অন্তৰ।

**স্বামী বিবেকানন্দই কৈছে—"এই জগতত যদি পাপ বোলা বস্তু এটা আছে তেনেহলে সেই পাপ আন একো নহয়। ই আমাৰ দুৰ্বলতা বা নিশকতীয়া অৱস্থাহে। দুৰ্বলতাক নেওচা দিয়া। দুৰ্বলতা আৰু মৃত্যু একে বস্তু।**

# বড়ো-কছাৰী সমাজ আৰু সংস্কৃতিত এটি দৃষ্টিপাত

শ্ৰীজ্ঞান শঙ্কৰ খাখলাৰী
২য় বাৰ্ষিক (কলা)

ভাৰতৰ পূৱ সীমাত থকা অসম প্ৰদেশৰ অধিবাসী বড়ো-কছাৰীসকল অতি পুৰণি ভৈয়ামবাসী জাতি। কীৰ্ত্তি স্তম্ভবোৰ হ'ল বুৰঞ্জী লিখাৰ আহিলা। কালৰ এলান্ধু গুচাব নোৱাৰা, অতীতৰ গৌৰৱপূৰ্ণ বুৰঞ্জী বহন কৰি ভগ্নাৱশেষ কীৰ্ত্তিস্তম্ভসমূহ সাক্ষী হৈ এতিয়াও বড়ো কছাৰী জাতিক 'গা দাং গাদাং' বুলি সোঁৱৰাই দিবলৈ লয় হৈ যোৱা নাই। এয়া কাল, এয়া শত শত যুগ। সেই অতীতৰ গৌৰৱ চিহ্ন যেন বালিত পৰা খোজ নহয় সেয়া প্ৰকাণ্ড শিলৰ খোজ যাক শত দুৰ্দ্দিনেও মচাঁ খেদাব নোৱাৰে। আজি বড়ো-কছাৰীসকলে নিজৰ অতীত গৌৰৱ অক্ষুন্ন ৰাখি অসমীয়া হিচাপে মূৰ দাঙি উঠিবৰ হল। আমি সেই দুখ লগা দিনৰ কথা সোঁৱৰাই কাকো দুখ দিব খোজা নাই বা ইয়াৰ বাবে কাকো দোষী সাব্যস্ত কৰিবৰ মন কৰা নাই। আমি সেই গৌৰৱপূৰ্ণ জাতিটোৰ সমাজ সংস্কৃতিৰ বিষয়ে চমুকৈ আলোচনা কৰিবলৈ আগবাঢ়িছো।

বড়ো-কছাৰীসকলৰ নিজা সমাজ, কলা কৃষ্টি আছে। অসমৰ অতি পুৰণি অধিবাসী হিচাপে বড়ো-কছাৰীসকলে নিজকে বড়ো নি ফিছা' বা বড়োৰ সন্তান আৰু বিশাল ব্ৰহ্মপুত্ৰৰ উপত্যকাত (সংখ্যাধিক) তেওঁলোকৰ বাসভূমি বাবে 'ডিমাফিছা' বা (ডাঙৰ) নদীৰ পাৰৰ সন্তান বুলি পৰিচয় দিবলৈকো নাপাহৰে। বড়ো-কছাৰীসকলৰ সমাজনীতি সহজ সৰল। ঘৰৰ মূৰব্বী জনেই পৰিয়াল পৰিচালনা কৰে। তেওঁলোকে সমাজ পাতি বাস কৰে। কেইবাটাও পৰিয়াল লগ লাগি 'জ্ঞাতি' বা 'গঞা' গঠিত হয়। জ্ঞাতি লোকে এজন 'হাদুংগাৰা বাচি লয়। জ্ঞাতিয়েই বিভিন্ন সমূহীয়া কাম-কাজ সম্পন্ন কৰে। বড়ো কছাৰীৰ নীতি নিয়ম সমূহ আগতে মুখে মুখে চলিছিল। কিন্তু বৰ্ত্তমানে শিক্ষাৰ ব'দ কাচঁলিত তেওঁলোকে সামাজিক সংবিধান ৰচনা কৰা দেখা গৈছে। সেই সংবিধানৰ সংজ্ঞামতেই বৰ্ত্তমান তেওঁলোকৰ সামাজিক কাৰ্য্য পৰিচালনা কৰে ঠাই বিশেষে সংবিধানৰ সংজ্ঞাবোৰ অলপ বেলেগ বেলেগ দেখা যায়।

বড়ো কছাৰী সমাজৰ বিধিৰ মূল নিয়ম (বিধান) পাঁচটা—অগৰবাদ, ফংশ্লোখবাদ, দগুথিবাদ, খাওৱালি বাদ আৰু খৌলোচোদ বাদ। সেয়ে গায়--

থায়গিবি খৌংৱা খৌংবা
বাথৌ বোংফাং শিবৰা
বড়োনি আচাবাবো ফংবা।

(ঔ টেঙা পাচ খলপ, শিজু গছ পাঁচ শিৰা আৰু বড়োৰ আচাৰ (বিধি) পাঁচ আষাৰ)

বড়ো-কছাৰীৰ নিজা কিছুমান ঠাল আছে। যাক তেওঁলোকে 'মাহাৰী' বুলি কয়। তেওঁলোকৰ বিভিন্ন মাহাৰী এইদৰে পোৱা যায় দৈমাৰী, স্বৰ্গীয়াৰী, বসুমতাৰী, মাছাৰী, হাজোৱাৰী, ৰামছিয়াৰী, খাখলাৰী, খৰিকাৰী, গয়াৰী, নাজি, জিংচিংয়াৰী, অৱংঝাৰীয়া তলসীয়াৰী, অজীৰ, ৰামছিয়াৰী ইত্যাদি। তেওঁলোকৰ মাহাৰী হোৱাৰ কিছুমান জনশ্ৰুতি আছে। (ক) কোনো লোকে কয় যে কছাৰীসকলৰ ৰজাৰ ৰাজত্ব কালত বিদেশী লোকে যেতিয়া কছাৰী ৰাজ্য আক্ৰমণ কৰিলে তেতিয়া হেনো কিছুমান লোক কোমোৰাৰ জাজিত সোমাই ৰক্ষা পাইছিল। ফলত তেতিয়াৰ পৰা তেওঁলোকে কোমোৰা মাহাৰী হ'ল বা খাখলাৰী হ'ল। সেইবাবে খাখলাৰী সকলে দেৱী পূজাত (দুৰ্গা পূজাত) কোমোৰা খাব নাপায় যিহেতু মাহাৰীক পূজাৰ বেদীত কটা হয় (বলিৰূপে)। সেইদৰে হাজোৱাৰীসকলে পাহাৰত লুকাই ৰক্ষা পাইছিল। (খ) কিছুমানে আৰু এইদৰে মত দাঙি ধৰে--ৰজাৰ দিনত যি সকলে বিভিন্ন ধৰণে ৰাজ সভাত বস্তু যোগান ধৰিছিল সেইদৰে তেওঁলোকৰ

বিষয় অনুসাৰে উপাধি দিছিল। বজাক যি সকলে পানী যোগান ধৰিছিল তেওঁলোক হ'ল দৈমাৰী, যিসকলে পূজাত তুলসী যোগান ধৰিছিল তেওঁলোক তুলসী-য়াৰী, যিসকলে খৰিকা যোগান ধৰিছিল তেওঁলোক খৰিকাৰী ইত্যাদি। প্ৰথমৰ মতত‌কৈ আমাৰ দ্বিতীয় মতটোহে বেচি বিজ্ঞানসন্মত যেন অনুমান হয়। পূৰ্ব্ব-পুৰুষৰ সেই কামানুযায়ী বৰ্ত্তমানৰ নামৰ শেষত উপাধি লিখা দেখা যায়।

বড়ো-কছাৰীসকল সাধাৰণতে শক্তি উপাসক। অৱশ্যে যিসকল ব্ৰহ্ম ধৰ্ম্মত দীক্ষিত তেওঁলোকে বলি বিধানৰ পৰা বিৰত। বড়ো-কছাৰীসকলৰ প্ৰধান উপাস্য দেৱতা হল 'বাথৌ বড়ায়' (মহাদেৱ), ইয়াৰ উপৰি তেওঁলোকে বিভিন্ন দেৱ-দেৱীবো পূজা কৰে। তেওঁলোকে 'শিজু' পূজাও কৰে। শিজুক তেওঁলোকে এইদৰে অৰ্থ কৰে 'শি' মানে ভিতৰ বা গুহ্য 'জৌ' মানে জীউ বা আত্মা অৰ্থাৎ অন্তৰাত্মা দেৱতা পূজা। মহাদেৱক উপলক্ষ্য কৰি তেওঁলোকে বিভিন্ন দেৱতা পূজা কৰা দেখা যায়--লাঙা পূজা, বাথৌ পূজা ইত্যাদি।

পূজাতেই বড়ো কছাৰীৰ কৃষ্টিৰ প্ৰকাশ বুলি কব পাৰি। তেওঁলোকে নিজস্ব খাম, চিফুং জথা, চেৰেঙা থৰখা আদি বাদ্য বজায়। আৰু বিভিন্ন গীতৰ সুৰৰ লহৰ তুলি খামৰ গুৰু গম্ভীৰ চাপৰে চাপৰে চিফুঙৰ সুৰে সুৰে জথা থৰখাৰ তালে তালে আগদ দোখনা পিন্ধি পখিলা জনীহে সুকীয়া সুকীয়া নৃত্য ভঙ্গিমা সৃষ্টি কৰি চিনছিৰী গোনদোৰ গোনদোৰ নাচৰ অপৰূপ ভঙ্গিমা ধৰে। খামত চাপৰ পৰাৰ লগে লগে আকাশ যেন গুম্‌গুমাই যায়। এই গীত নাচৰ সুকীয়া স্বভাৱ সুৰ তাল আছে যাক লৈ কেৱল বড়ো-কছাৰীয়েই যে গৌৰৱ কৰিব পাৰে এনে নহয় গোটেই অসমীয়া জাতিয়েই গৌৰৱ কৰিব পাৰে।

বড়ো-কছাৰীসকলে পূজা-পাতল আদিত 'জৌ' আগবড়ায় আৰু হেপাহ পলুৱাই খায়। পূজাত তেওঁলোকে অমা, দাও, বৌৰমা, ফাবো আদি কাটে। কৃষিয়েই তেওঁলোকৰ জীবিকাৰ পথ। বৌদ্ধিক জীৱনত নানা উপায়েৰে জীৱিকা নিৰ্ব্বাহ কৰা দেখা যায়।

বড়ো কছাৰীসকলৰ নিজা দোৱান নিজা সাজপাৰ আছে। নিজা দোৱান বৰ্ত্তমান আছে যদিও তেওঁলোকৰ সাজপাৰ লুপ্ত প্ৰায়। গোৱালপাৰা, দৰং, কাছাৰ, কামৰূপ, নগাওঁ আদি জিলাত বড়ো-কছাৰীসকলক আগদ দেখোনা পিন্ধা দেখা যায়। সাধাৰণতে বড়ো কছাৰীৰ জীয়ৰী বোৱাৰীক এনেহে শুৱায় যেন তেওঁলোক বং বিৰঙৰ পাখি থকা পখিলাহে। বৰ্ত্তমান নিজৰ দোৱানৰ বাবে বড়ো কছাৰীসকলে সচেতন হোৱাতো বৰ আনন্দৰ কথা; কিন্তু সাজ পাৰ লুপ্তপ্ৰায় তাৰ বাবে দুখিত। উঠি অহা ডেকা গাভৰু চামে ইয়াক জীয়াই ৰখা উচিত নহয় নে? ই কেৱল বড়ো কছাৰীৰেই কৃষ্টিনে—অসমীয়াৰ নহয় জানো?

বড়ো-কছাৰীসকলে বিহুক বৰ উলহ-মালহেৰে পালন কৰে। বৈছাগুনি বাৰ লাগিলে বড়ো কছাৰীৰ যেন গাত তত নোহোৱা হয়। হায় লা হৈলা নাচি যেন আপোন পাহৰা হয়। আকাশ বজন জনাই যোৱা জাতীয় বাদ্যই যেন বড়ো-কছাৰীৰ প্ৰকৃত জাতীয় কৃষ্টি জগাই তোলে। বৰদৈচিলাই মাকৰ ঘৰলৈ হুৰহুৰাই হিলদোল ভাঙি আহি ধৰণী জীপাল কৰে। প্ৰকৃতি সজীৱ হয়। ফুল ফুলে, ভোমোৰা আহে। মিঠা সুৰেৰে চৰাইয়ে গীত গায়--গা যেন সাতখন আঠখন হয়--

বোইছাগোনি বাৰ্—আ
জোংনি বংজানায়া
দাও খোলৌ গাবনায়া
গোদৈ গোজোন বাওৱা
বিবাৰ গুদান বাবনায়া।

(বহাগৰ বতাহত, চৰাইৰ মিঠা মিঠা মাতঁত নতুন নতুন ফুল পাহি মেলাত আমাৰ যেন আনন্দ কৰাৰ সময়।

অসমত এসময়ত বড়ো-কছাৰীসকলে পৰাক্ৰমেৰে ৰাজত্ব কৰা কথা অতীতস্তম্ভ আৰু বুৰঞ্জীয়ে সাক্ষী দিয়ে। ডিমাপুৰৰ ভগ্নাৱশেষেই ইয়াৰ নিদৰ্শন। কিন্তু ইয়াৰ অৱস্থা—

ডিমাপুৰ নগৰৌ দঙ্দৈমা ধনশ্ৰী
দৈমানি খাঠিয় দঙ বড়োনি বাৰী
হাম্রৌ জংনি ডিমাফুৰী।
ছাতছো হাজ্ৰাৰ ছাতছো ফুখুৰী
জাংলাংবায় হাগ্ৰাবাৰী
ফাজ্ৰাৰ নৌ হালয়া, ঠেখাংনো হালায়া বিমায়ৌ বাৰী।

( ন রূপ দিব নোৱাৰা ধনশ্ৰী নদীৰ পাৰত বড়োৰ ৰাৰী, সাত হাজাৰ সাতশ পুখুৰী হাবি বননিৰে আগুৰি থকা হেৰ। আমাৰ ডিমাপুৰ নগৰী ।)

আজি দুখ কৰি লাভ নাই। সেয়া কালৰ বুকুত বহুত বিলিন হ'ল। বড়ো কছাৰীসকলৰ গুণ গুমাই যোৱা খামৰ চাপৰ, চিফুঙৰ সুললিত সুৰ শুনিবলৈ নাপাওঁ, খেৰায় পূজা, গেদেত মাদায় আদিৰ পূজা কমিল, আগদ দোখোনা পিন্ধি চিনচিবি হেলাই হেলাই পেশন ধৰি নাচা চিখিলা আজি আৰু নাই। এই কলা-কৃষ্টিসমূহ অসমীয়াৰ জাতীয় কলা-কৃষ্টি নহয় জানো? বিজাতীয় সাজ পাৰে, কলা কৃষ্টিয়ে, কথা ৰতৰাৰ ঢঙে আজি ডেকা গাভৰুক চুলেহি। যুগৰ লগত, পৰিৱেশ পৰিস্থিতিৰ লগত নিজক খাপ খুৱাৰ চেষ্টা কৰাটো শুভলক্ষণ; কিন্তু জাতীয় কলা কৃষ্টি সংস্কৃতি আদিক জীয়াই ৰখাটো জানো কৰ্ত্তব্য নহয়? *

* প্ৰবন্ধটো যুগুত কৰোতে সহায় লোৱা পুথিসমূহ:

(১) বড়ো কছাৰীৰ সমাজ সংস্কৃতি—ভবেন নাৰ্জ্জি।

(২) জাথি ফাজা খাঙ্নায়।

# আজিৰ সমাজ আৰু শিক্ষা—এটি দৃষ্টিপাত

শ্রীদীনেশ চন্দ্র শৰ্ম্মা
মুখ্য অধ্যাপক
ৰাষ্ট্রবিজ্ঞান বিভাগ

ব্যক্তি বুলিলে আমি যেনেকৈ হাত-ভৰি-নাক কাণ সন্নিবিষ্ট এজন মানুহৰ এটা বিশেষ চৰিত্র বুজো, ঠিক তেনেকৈয়ে সমাজ বুলিলেও ৰাম হৰি যদু মধুৰ এটা সামগ্রিক দিশ বুজি পাওঁ। আত্মৰক্ষা প্রকাশন আদি ব্যক্তিগত আৰু উমৈহতীয়া স্বাৰ্থৰ খাতিৰত একত্রিত হোৱা ব্যক্তিৰ এই সমূহীয়া দিশটোকেই সমাজ বোলা হয়। আন কথাত ব্যক্তিৰ সমষ্টিয়েই সমাজ।

ব্যক্তি জীৱনৰ উদ্দেশ্যৰ লগে লগে সমাজ জীৱনৰো এটা স্বয়ংক্রিয় উদ্দেশ্য আছে। এই দুয়োটা উদ্দেশ্যৰে সম্বন্ধ পাৰস্পৰিক। এই পাৰস্পৰিক সম্বন্ধই ব্যক্তি আৰু সমাজ দুয়োটাকে ইমান নিকটবৰ্ত্তী কৰি তুলিছে যে এটাক বাদ দি আনটোৰ অস্তিত্ব অনুভৱ কৰিব পৰা নেযায়। এই খিনিতে এটা কথা উনুকিয়াই থোৱা উচিত হব যে ব্যক্তি সমাজৰ বাবে নহয়, সমাজহে ব্যক্তিৰ বাবে সৃষ্টি হৈছে। মানব সভ্যতাৰ বুৰঞ্জীয়ে কয় যে সমাজ সৃষ্টিৰ বহু পূৰ্ব্বেই ব্যক্তিৰ জন্ম হৈছিল।

সামূহিক জীৱনৰ চাবিবেৰৰ মাজত ব্যক্তিগত উদ্দেশ্য সাধনৰ মানসেৰে আগুৱাই যাওতে লাভ কৰা বিভিন্ন অভিজ্ঞতাই মানুহক একোটা শিক্ষা দি যায়। গতিকে জীৱনৰ সেইবোৰ অভিজ্ঞতাই শিক্ষা, যিবোৰে ব্যক্তিৰ মৌলিকতা বিকাশৰ সহায়ক হয়। যি কোনো বস্তু বা গুণ এটাই বিকাশ লাভ কৰিব লাগিলে আৱশ্যক হয় এটা মাধ্যম। ব্যক্তিৰ এই গুণ বিকাশৰ একমাত্র মাধ্যম হৈছে সামাজিক আদৰ্শ। অৰ্থাৎ সামাজিক আদৰ্শৰ মাধ্যমেৰেহে নিজৰ গুণৰাশিৰ বিকাশ সাধন কৰিব পাৰে। সমাজৰ বিভিন্ন পৰিবেশে এই ক্ষেত্রত ব্যক্তিৰ সহায়ক হয়।

ব্যক্তি আৰু সমাজৰ এই ওতঃপ্রোত সম্বন্ধই প্রমাণ কৰিছে যে ব্যক্তিৰ শিক্ষা অবিহনে সমাজৰ উন্নতি হব নোৱাৰে। আনহাতে প্রচলিত সমাজ ব্যৱস্থাৰ চাবিবেৰৰ মাজতহে ব্যক্তিৰ শিক্ষালাভ সম্ভৱ। তাৰোপৰি সমষ্টিৰ (সমাজৰ) উদ্দেশ্যৰ লগত খাপ খোৱাকৈ মানুহ তৈয়াৰ কৰাটোৱে সেই সমাজৰ শিক্ষাৰ উদ্দেশ্য হৈ পৰা দেখা যায়। সেইবাবেই বেলেগ বেলেগ ধৰণৰ শিক্ষাপ্রণালীয়ে স্বকীয় ৰূপেৰে বিভিন্ন সমাজত সফলতা লাভ কৰিব পাৰিছে। অধ্যক্ষ প্রবোধ গোস্বামীৰ ভাষাত সামাজিক পৰিবেশত ব্যক্তিৰ নিহিত সম্ভাবনাৰ সামাজিক বিকাশেই হ'ল শিক্ষাৰ মূল উদ্দেশ্য।

আনহাতে এইটো কথাও অনস্বীকাৰ্য্য যে কোনো এখন সমাজৰ সংস্কৃতিয়ে তাৰ শিক্ষাৰ জন্ম দিয়ে। সমাজ আৰু সংস্কৃতি একেটা মুদ্রাৰে দুটা ফাল, মাথোন। ভাত একেবাৰী সিজিছে নে নাই চাবলৈ যেনেকৈ এটা মাত্র ভাত পিতিকি চালেই ধৰিব পাৰি, ব্যক্তিবিশেষৰ শিষ্টাচাৰবোধ আৰু চিন্তা শক্তিৰ টেঁৰ লবলৈ যেনেকৈ কেইটামান মাত্র মুহূৰ্ত্ত তেওঁৰ লগত কটালেই হয়—ঠিক তেনেকৈয়ে সমাজ এখনৰ শিক্ষাৰ প্রগতি বুজিবলৈকো তাৰ সংস্কাৰৰ দিশটোলৈ চকু দিলেই হৈ যায়। আৰু এই সংস্কৃতিয়েই সেই সমাজৰ শিক্ষাৰ বুনিয়াদ ৰচনা কৰে। সামাজিক পৰিবৰ্ত্তনৰ ইতিহাসৰ পাত লুটিয়ালে দেখা যায় যে সমাজৰ পৰিবৰ্ত্তনৰ লগে লগে সাংস্কৃতিৰ পৰিবৰ্ত্তন হৈছে আৰু সেই পৰিবৰ্ত্তিত সংস্কৃতিৰ প্রয়োজন পূৰাবৰ বাবে শিক্ষাৰো পৰিবৰ্ত্তন হৈছে।

বৰ্ত্তমান শতিকাৰ আৰম্ভণীৰ পৰাই এটা পৰিবৰ্ত্তনৰ ঢৌৱে সমাজৰ বিভিন্ন দিশ তোলপাৰ লগোৱা দেখা গৈছে। সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক

দ্ৰুত পৰিবৰ্ত্তনৰ লগে লগে শিক্ষাৰ ক্ষেত্ৰতো এটা নতুন সন্ধিক্ষণৰ আমি মুখামুখি হৈছোহঁক। বিশেষকৈ চলিত দশকৰ দুৱাৰ দলিত ঠিয় হৈ কাণ পাতিলে সমাজৰ নিভৃত তলীৰ পৰা ভাহি অহা তিনিটা ক্ৰন্দন ধ্বনি আমাৰ কাণত বাজি উঠে। তাৰে এটা সমাজৰ সকলো শ্ৰেণীৰ লোকেই আত্ম চেতনা হেৰুৱাই দিশহাৰা হোৱা বিভ্ৰান্তৰ উকমুকনি; আনটো কোনো অলৌকিক শক্তিৰ অধিকাৰী হৈ দ্ৰুতবেগে আগবঢ়া এচাম চহকী লোকৰ বাট্টাকাষৰত বৈ থকা মিশিলৰ বুভুক্ষাৰ হাহাকাৰ আৰু তৃতীয়টো হৈছে ন্যায্যতা আৰু নৈতিকতাৰ লগত আজিৰ শিক্ষা আৰু নিৰাপত্তাৰ বাস্তৱ বিশ্লেষণ বিচাৰি লাখ লাখ কিশোৰ আৰু যুৱক শিক্ষাৰ্থীৰ বিপ্লৱৰ ঐক্যতান। তিনিওটা ধ্বনিৰেই উৎস আজিৰ সমাজ ব্যৱস্থা হলেও সিহঁতৰ পৰিসৰ বেলগ বেলেগ। প্ৰথমটোৰ যেনেকৈ ৰাজনৈতিক আৰু সামাজিক বিভ্ৰান্ততা, দ্বিতীয়বিধৰ অৰ্থনৈতিক আৰু তৃতীয়বিধৰ কেৰোণ আজিৰ শিক্ষাব্যৱস্থা। ওপৰোক্ত কেৰোণসমূহৰ কাৰণ আৰু তাৰ নিৰাময়ৰ উপযুক্ত উপায় দাঙি ধৰা এই চমু প্ৰবন্ধত সম্ভৱপৰ নহলেও, সেইবোৰৰ ভিতৰপিনে এবাৰ ভুমুকিয়াই চোৱা উচিত হব। কাৰণ, এটাৰ লগত আনবোৰ ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে।

**ৰাজনৈতিক** :— দেশৰ বৰ্ত্তমান ৰাজনৈতিক অস্থিৰতাই আমাৰ সামাজিক আৰু অৰ্থনৈতিক উন্নতিৰ ব্যাঘাট নজন্মোৱাকৈ থকা নাই। স্বৰাজ পোৱাৰ সময়ত দেখা সুখ আৰু সমৃদ্ধিৰ জীয়া সপোনবোৰ আজি চৌবিশ বছৰেও বাস্তৱত পৰিণত নোহোৱাত সমাজৰ সকলো শ্ৰেণীৰ ৰাজনৈতিক নেতাকেই এটা বিভ্ৰান্ত অৱস্থাত দেখিবলৈ পোৱা গৈছে। জন্ম লগ্নতে দেখা দিয়া কাশ্মীৰ সমস্যাৰ সমাধান বিচাৰি হাঁহাকাৰ কৰি থকা অৱস্থাতে ভাৰতে নতুন নতুন বিবাদৰ সন্মুখীন হবলগা হৈছে। '৬২ চনত জৱহৰলালে আৰু '৬৫ চনত লালবাহাদুৰে নিকটবৰ্ত্তী ৰাষ্ট্ৰদুখনৰ বিপক্ষে যুদ্ধত বহু লাখ টকা ব্যয় আৰু কেবাহেজাৰক হেৰুৱাই আৰু পঙ্গু কৰি ককাল টঙাবলৈ নোপাওতেই '৭১ৰ প্ৰথম ভাগৰ পৰাই শ্ৰীমতী গান্ধীয়ে ভগনীয়া আৰু অনুপ্ৰৱেশকাৰীৰ লেঠেৰি মিছিগা সোঁতত নিজেও উটি নোযোৱাকৈ তিষ্ঠি থকাটো কঠিন হৈ পৰা দেখা গৈছে। তাৰ উপৰি বিভিন্ন বাদে (ism) আৰু সেই বাদৰ ব্যাখ্যাই বিভ্ৰান্ত কৰি তোলা এক উত্তপ্ত পৰিস্থিতিৰ মেৰপাকত সোমাই সঁচা সমাজ বাদেও (Socialism) নিজ সংজ্ঞাৰ লগত বহুত এৰা ধৰা কৰিব লগা পৰিছে। ইয়াৰ উপৰি এটাৰ পিছত এটাকৈ ৰাজনৈতিক আকাশত দেখা দিয়া ধূমকেতুৰ আবিৰ্ভাৱৰ স্মৃতিয়েও আমাৰ মন অধিকাৰ কৰি থাকে।

**সামাজিক**:—দেশৰ এই ৰাজনৈতিক অস্থিৰতাৰ বহুতো অনৰ্থৰ মূলতে কেবাটাও কাৰণ জৰিত হৈ আছে। তাৰ ভিতৰত এটা হৈছে সামাজিক দৃষ্টি-ভঙ্গীৰ দ্ৰুত পৰিবৰ্ত্তন। সামাজিক পৰিবৰ্ত্তনৰ লগে লগে হোৱা সাংস্কৃতিক পৰিবৰ্ত্তনৰ লগত সমানে খোজ পেলাই আগুৱাই যোৱা আৰু যাব নোৱাৰা দুটা শ্ৰেণীৰ মাজত ব্যৱধান ইমান বেছি হৈ পৰিছে যে সিহঁতৰ অতীত সম্বন্ধ বিচাৰি পোৱা একালত অতি কঠিন হৈ পৰিব।

সমাজৰ এই দ্ৰুত পৰিবৰ্ত্তনৰ বাবে অৰ্থনৈতিক কাৰণো সমানে দায়ী। ব্যক্তিগত আৰু সামাজিক জীৱনৰ স্বীকৃতিৰ মানদণ্ড যেতিয়াৰ পৰাই একমাত্ৰ টকাৰে নিৰূপণ কৰিবলৈ ধৰিলে তেতিয়াৰ পৰাই সকলো নৈতিকতাই মানুহৰ মাজৰ পৰা আতৰি পলোৱা দেখা গৈছে। ফল স্বৰূপে সমাজৰ সকলো শ্ৰেণী লোকৰ মাজত এটাই মাত্ৰ উদ্দেশ্য হৈ পৰিল যে যি কোনো উপায়েৰেই বহুত টকাৰ অধিকাৰী হব লাগে। গতিকে মানুহে সৎ আৰু ন্যায্য পন্থাবোৰক কম মৰ্য্যাদা থকা বৃত্তি (Low prestige occupaticn) বুলি ঘৃণাৰ চকুৰে চাই বেছি টকা অহা বাট বিচাৰি ফুৰিব ধৰিছে। তাৰ ফলত সৃষ্টি হোৱা হাত মালি নোহোৱা চাকৰি (white colcur job) বিচাৰি ফুৰা ৰঘুমলাৰ নিচিনা এচাম লোকে সমাজৰ সকলো কীটাণুবোৰকে ধ্বংস কৰি আহিব ধৰিছে।

সমাজৰ এই সৰ্ব্বগ্ৰাহী দুৰ্নীতিৰ লগত আমি এনেদৰে লিপ্ত হৈ পৰিছো যে কোনো এটা সৰু কাম কৰিবলৈ হাতত লৈয়ো শেষত তাক গঢ়ি তোলা অসম্ভৱ হৈ পৰে। এই ক্ষেত্ৰত এটা দাৰুণ প্ৰতিযোগিতাই গা কৰি উঠা দেখা গৈছে। পাইয়ো বহুত পাবলৈ হাহাকাৰ কৰা এটা শ্ৰেণীৰ অত্যাধুনিক মানদণ্ডৰ জীৱনধাৰাৰ

ফালে চাই চাই নোপোৱা শ্ৰেণীটোৱে ঈৰ্ষাৰ দাবাগ্নিৰে সমাজৰ সকলো মততাকে দগ্ধ কৰি দিয়াৰ চেষ্টা কৰে। সকলোতকৈ পৰিতাপৰ কথা এইখিনিতে যে সমাজৰ ধৰণী স্বৰূপ ছাত্ৰসমাজকো দুৰ্নীতিৰ কোবাল বতাহে স্পৰ্শ নকৰাকৈ থকা নাই।

শিক্ষাগত :—তৃতীয় আৰু সকলোতকৈ আক্ষেপৰ ধ্বনি শুনা যায় দেশৰ ভৱিষ্যত ধৰণী স্বৰূপ আজিৰ শিক্ষাৰ্থীৰ কণ্ঠৰ পৰা। সমাজৰ এই বৃহৎ শক্তি ছাত্ৰ সকলে আজি কেইটামান ভিন্নমুখী সামাজিক চৌবাটত এক উত্তপ্ত পৰিবেশেৰে দণ্ডায়মান হৈ থকা দেখা গৈছে। সুখ আৰু সমৃদ্ধিৰে ভৰা এহেজাৰ সোণালী সপোন লৈ ভৱিষ্যতৰ বুকুলৈ আগুৱাই যাওতে সমাজৰ দাপোনত সঘনাই ভণ্ডামী আৰু অনিশ্চয়তাৰ ভয়লগা প্ৰতিচ্ছবি দেখি তেওঁলোকে যন্ত্ৰণাত কঁপি উঠিছে। সমাজৰ এই সুবৃহৎ শক্তিটোৰ যি কোনো পদস্খলনে অকল তেওঁলোকৰ ব্যক্তিগত জীৱনকেই কলুষিত কৰি নেৰিব, সমাজ জীৱনৰো ই মেৰুদণ্ড কোঙা কৰি তুলিব।

এটা বৈজ্ঞানিক দৃষ্টি-ভঙ্গীৰে সমূহ ছাত্ৰ-ছাত্ৰীৰে মনোভাৱ আৰু কাৰ্য্যপন্থাবোৰ বিশ্লেষণ কৰি চালে তেওঁলোক তিনিটা বিশেষ ভাগত বিভক্ত হোৱা দেখা যায়। এটা Radical বা সামাজিক আৰু ৰাজনৈতিক পুনৰ্গঠনেৰে নতুন বিপ্লৱ বিচৰা দল, এটা প্ৰচলিত সকলো সামাজিক আৰু ৰাজনৈতিক ব্যৱস্থাৰ ওপৰত আস্থা হেৰুৱাই স্বগৰিত এক বিশৃঙ্খল জীৱন যাত্ৰাৰ প্ৰতি আসক্ত হোৱা হিপ্পী বা নক্সালপন্থীৰ সমদল আৰু আনটো হৈছে বৰ্ত্তমান সমাজৰ মাজতে জীৱনৰ মূল্যবোধ বিচাৰি আত্ম প্ৰতিষ্ঠাৰ বাটেৰে আগবঢ়া এচাম সুবিধা-বাদীৰ দল। এই সমূহ ছাত্ৰ ছাত্ৰীৰে মনৰ খোৰাক যোগাব নোৱাৰা বিফলতাৰ গ্লানি একালে যেনেকৈ সমাজ বা প্ৰচলিত শিক্ষাব্যৱস্থাৰ ওপৰত পৰে, আনফালে তেনেকৈ তেওঁলোকৰ আত্মোপলব্ধিৰ ব্যৰ্থতাৰ পিনেও আওকাণ কৰিলে নহব। সুবিধাবাদী ৰাজনীতিবিদৰ হাতৰ পুতলা হৈ আত্ম চেতনা হেৰুৱাই কাবোবাৰ সৌভাগ্যৰ অগণিত নিজৰ সজ চিন্তা আৰু সজ আচৰণবোৰ আহুতি দিয়া ছাত্ৰৰ দলটোৱে এদিন নিজৰ অস্তিত্ব বিচাৰি পোৱা কঠিন হৈ পৰিব।

আনহাতে শিক্ষাৰ ক্ষেত্ৰতো দেখা দিয়া কিছুমান সঙ্কতে নতুন পুৰুষক বহুখিনি নিৰুৎসাহী আৰু আত্ম-বিস্মৃত কৰি তোলাত সহায় কৰিছে। প্ৰচলিত শিক্ষা বিধিৰ আমূল পৰিবৰ্ত্তন বিচাৰি সমাজ, দেশ আৰু শিক্ষাৰ কৰ্ণধাৰসকলে ফলপ্ৰসূ নোহোৱা বহুত নতুন প্ৰতিশ্ৰুতি আগবঢ়ালে। এটাৰ পিছত এটাকৈ শিক্ষা-বিধিৰ ওপৰত বহুওৱা আয়োগৰ প্ৰতিবেদনবোৰৰ বহুত পৃষ্ঠা উঁইয়ে খালে, বাকী পৃষ্ঠাবোৰৰ দুই চাৰিটা বিধি কাৰ্য্যক্ষেত্ৰত পৰীক্ষামূলকভাৱে প্ৰয়োগ কৰিবলৈ গৈ কিছুমান পঙ্গু অপদাৰ্থ সন্তানবহে জন্ম দিয়া দেখা গৈছে। ৰাধাকৃষ্ণণ, মুদালীয়াৰ আৰু কোঠাৰীৰ অশেষ চেষ্টাৰে শিক্ষাজগতত একো পৰিবৰ্ত্তন আনিব নোৱাৰাতো পৰিতাপৰ কথা।

এইখিনিতে আমাৰ শিক্ষা ব্যৱস্থা সম্পৰ্কে অলপ চালি জাৰি চোৱা যাওক। এই বিষয়ে আলোচনা কৰিবলৈ যাওতে স্কুল আৰু শিক্ষকৰ অৱস্থা আৰু পাঠ্য আৰু পাঠদান ব্যৱস্থাৰ বিষয়েও নজৰ পেলাব লাগিব।

প্ৰাইমেৰীৰ পৰা হাইস্কুললৈকে বেছিভাগ স্কুলৰে শোকজনক ভাৱে পিছপৰা অৱস্থাৰ উপৰিও বহুত স্কুলতে আৱশ্যকীয় শিক্ষকৰ নিযুক্তিখিনিতেই বহুত বিজুতি ঘটা দেখা যায়। আনহাতে সকলো ক্ষেত্ৰতে যে বিশেষ অৰ্হতাসম্পন্ন শিক্ষকেই নিযুক্তি পাই আছিছে তাকো কব নোৱাৰি। কিন্তু নিযুক্তিৰ পিছত অপেক্ষাকৃত ভাৱে কম অৰ্হতা থকা হলেও এজন শিক্ষকে নিজকে পাঠদানৰ উপযুক্ত কৰি লোৱাত অসুবিধা একো নেথাকে। এইখিনিতে বিভিন্ন সমস্যাই সৃষ্টি কৰা গৰম পানীৰ উত্তপ্ত সাগৰত নিঃসহায়ভাৱে সাতুৰিব লগা হোৱা এই শিক্ষকশ্ৰেণীটোৰ জীয়া অনুভূতিখিনিক সঁচা সহানুভূতিৰে জুখিব খোজা সবল আন্তৰিকতাপূৰ্ণ মানদণ্ডৰ অভাৱ পৰিলক্ষিত হয়। যিটো সময়ত —'The desting of India is now being shaped in her class room's বুলি শিক্ষাবিদসকলে টেটুফালি চিঞৰিছে,—সেইটো সময়তে শিক্ষকসকলক শ্ৰেণীৰ বাহিৰৰ বিভিন্ন কাৰ্য্য ক্ষেত্ৰত জুৰুলা কৰিবলৈ সমাজৰ নানা শক্তিয়ে টনা আজোৰা কৰিছে। পৰিবেশৰ দাবীত তেওঁলোকৰ মন-আকাশত বহুতসময়ত অস্থিৰতা আৰু অশান্তিৰ ধুমুহা বয়। এই অস্থিৰতাই

কম বেছি পৰিমাণে শ্ৰেণীৰ ভিতৰতো পৰোক্ষভাবে আঘাট নকৰাকৈ নাথাকে। কাৰণ তেওঁলোকৰ শ্ৰম আৰু সাধাৰণ দিনহাজিৰা কৰা এজন শ্ৰমিকৰ শ্ৰমৰ মাজত পাৰ্থক্য এইখিনিতে যে মনৰ ইচ্ছা নহলেও এজন শ্ৰমিকে কঠোৰ দৈহিক পৰিশ্ৰম কৰিব পাৰে; কিন্তু মনৰ ইচ্ছাৰ বিৰুদ্ধে গৈ শ্ৰেণীৰ ভিতৰত এজন শিক্ষকে কেতিয়াও কৃতকাৰ্য্য হব নোৱাৰে। আনহাতে শিক্ষক এজনৰ শ্ৰমক সময়ৰ মানদণ্ডেৰে জুখিবলৈ চেষ্টা কৰাটোও ধৃষ্টতাহে মাথোন। সকলো সামাজিক দুৰ্নীতিৰে নাৰি-নক্ষত্ৰৰ উমান পাই থকা সংখ্যাগৰিষ্ঠ এই গুৰুত্বপূৰ্ণ শ্ৰেণীটোৰ সাময়িক অমনোযোগিতালৈ প্ৰত্যক্ষভাবে কেইটামান বিশেষ কাৰণে ৰৰঙণি যোগাই আহিছে। তাৰ ভিতৰত ছাত্ৰ-ছাত্ৰীৰ উশৃঙ্খলতা, নিযুক্তিদাতাৰ ন্যয্যাতাধাৰণৰ খাম-খেয়ালী, অপেক্ষাকৃত ভাবে কম দায়িত্বসম্পন্ন আন চৰকাৰী চাকৰীয়ালৰ তুলনাত কম সুবিধা, কম চুটি, ঘৰ ভাবাৰ অসুবিধা আৰু কম বেতনৰ ব্যৱস্থাই প্ৰাধান্য লাভ কৰা দেখা যায়।

পাঠ্যপুথিৰ এশ এবুৰি ভুলৰ উপৰিও উদ্দেশ্যমুখী 'কেৰিকুলাম'ৰ অভাৱখিনিও সময়ে সময়ে অনুভৱ কৰা যায়। পাঠ্যপুথি যুগুত কৰোতে শিক্ষাৰ মূল উদ্দেশ্যৰ লগত ছাত্ৰ ছাত্ৰীৰ জীৱন আৰু উদ্দেশ্যৰ সমিলমিল ৰাখিবলৈ চৰকাৰ অথবা বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা আৱশ্যকীয় সাৱধানতা অৱলম্বন কৰা দেখা নেযায়। ফলত এই ধৰণৰ একোটা ফোপোলা আদৰ্শক উদ্দেশ্যহীন ব্যৱস্থাৰে পাঠদান কৰি লৰা-ছোৱালীৰ মনৰ বিকাশ সাধন কৰা টান হৈ পৰে। আনহাতে একোটা অতি গুৰুত্বপূৰ্ণ পাঠ ইমান চালুকীয়া লৰা ছোৱালীক শিকোৱাৰ ব্যৱস্থা আছে যে ই সিহঁতৰ মগজু বিকাশতকৈয়ো চেপেটা কৰাতহে বেছি সহায়ক হয়। উদাহৰণ স্বৰূপে, হায়াৰচেকেণ্ডাৰী স্কুলৰ নৱমমান শ্ৰেণীৰ এজন তেৰ বা চৈধ্যবছৰীয়া ছাত্ৰৰ বাবে দৰ্শনৰ যি কোনো জটিল ব্যাখ্যাই বোধগম্য কৰাটো অসুবিধা। কাৰণ দাৰ্শনিক কোনো সত্য উপলব্ধিৰ বাবে মানুহৰ মনৰ স্থিৰতাৰ প্ৰয়োজন। সেইখিনি এজন কিশোৰ ছাত্ৰৰ পৰা আশা কৰিব পৰা যায় জানো? অথচ সেই ব্যৱস্থা আমাৰ বিধিসন্মত।

আনহাতে যুগ যুগ ধৰি চলি অহা আমাৰ শিক্ষাৰ কিছুমান বিশেষ পাঠ্যৰ বুৰ্জোৱা প্ৰকৃতিৰ পিনেও চকু ফুৰাই চোৱা উচিত হব। আইনষ্টাইনে মানুহক কিবা নতুন Relativityৰ সমল যোগাব পাৰে, কলম্বাচ বা ভাস্কো-ডা-গামাই নতুনৰ অনুসন্ধিৎসা যোগাব পাৰে বুলি যদি ধৰি লোৱা যায়, তেনেহলে চেক্সপীয়েৰৰ ৰোমিও জুলিয়েটে বা শ্যেলীৰ ৱেষ্ট উইণ্ডে মানুহক অধিক স্বপ্নাবিলাসী কৰি তোলাত বাহিৰে পৃথিৱীৰ বাস্তৱ অনুশীলনত কিবা সহায় কৰিব পাৰিছেনে নাই এবাৰ বিশ্লেষণ কৰি চাবৰ সময় হৈছে। কিয়নো সামাজিক পৰিৱৰ্ত্তনৰ লগত পাঠ্যপুথিয়েও এটা বাস্তৱ সম্বন্ধ ৰক্ষা কৰি চলিব লাগে যাতে তাৰ মাজেৰে পোৱা শিক্ষাই মানুহক বাস্তৱমুখী কৰি তুলিব পাৰে।

এইখিনিতে দুটা পদ্ধতিলৈ আমাৰ দৃষ্টি আকৰ্ষিত হয়। এটা ভাৰতবৰ্ষত মহাত্মা গান্ধীয়ে প্ৰচাৰ কৰা বুনিয়াদী শিক্ষা ব্যৱস্থা আৰু আনটো হৈছে ছোভিয়েট ৰুচীয়াৰ বৰ্ত্তমান শিক্ষা পদ্ধতি। জাতিৰ পিতাৰ বুনিয়াদী শিক্ষাৰ উদ্দেশ্যই সফলতা লাভ কৰিব পাৰিলে নিশ্চয় জাতিৰ বুনিয়াদ শক্তিশালী হ'লহেতেন; কিন্তু বিভিন্ন কাৰণবশতঃ যি এটা মাত্ৰ কঙ্কাল হৈছে অতি নিম্ন সংখ্যক এশ্ৰেণীৰ মাজত প্ৰচলিত হৈ আছে। আনহাতে ছোভিয়েট ৰুচীয়াৰ বৰ্ত্তমান শিক্ষা ব্যৱস্থাই তাৰ সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত এটা অভূতপূৰ্ব্ব সাফল্য আনি দিব পাৰিছে। ইয়াৰ একমাত্ৰ কাৰণ কি তেওঁলোকে দেশীয় শিক্ষাক অৰ্থনৈতিক আৰু সাংস্কৃতিক পুনৰ্গঠনৰ এক দ্ৰুত যুটীয়া বাহন হিচাবে ব্যৱহাৰ কৰিব পাৰিছে; আৰু সেইবাবেই হয়তো ভাৰতৰ নিচিনাকৈ লাখ লাখ শিক্ষিত নিবনুৱাৰ হাহাকাৰে তাৰ আকাশ পাতাল তোলপাৰ নকৰে।

শিক্ষাৰ ক্ষেত্ৰত ভাৰতবৰ্ষই কোনো এটা নিৰ্দ্দিষ্ট নীতি অৱলম্বন কৰাত বিফল হোৱাৰ স্বাক্ষৰ বহন কৰিছ সঘনাই নিযুক্ত হোৱা আয়োগবোৰেই। সমাজৰ পৰিৱৰ্ত্তনৰ লগে লগে শিক্ষাৰো পৰিৱৰ্ত্তন আৱশ্যক হলেও, শিক্ষাৰ নিচিনা একোটা গুৰুত্বপূৰ্ণ পদ্ধতিৰ সঘন পৰিৱৰ্ত্তনে গোটেই সমাজখনকে ঘূৰ্ণীয়া কৰিহে তোলে। উদাহৰণ স্বৰূপে পুৰণি প্ৰৱেশিকা পৰীক্ষাৰ পিছত এজন ছাত্ৰই দুবছৰৰ মূৰে মূৰে কলেজত আই-এ আৰু বি-এ পৰীক্ষ